❑ মহিলাৰ মর্যাদা ৰক্ষাত পাৰিবাৰিক হিংসা (প্রতিৰোধ) আইন (Domestics Violence Act for womens Status) ঃ

পাৰিবাৰিক হিংসা মানে হৈছে পৰিয়ালত মহিলাক শাৰিৰীক বা মানসিকভাৱে পুৰুষে কৰা অত্যাচাৰ। অৱশ্যে কেতিয়াবা পুৰুষৰ লগতে ইয়াত মহিলাও জড়িত থাকে। এই পাৰিবাৰিক হিংসা ৰোধ কৰাৰ কাৰণে সংসদে এখন ঐতিহাসিক আইন প্রণয়ন কৰে। এই আইনখনেই হৈছে পাৰিবাৰিক হিংসা আইন, ২০০৫। জম্মু আৰু কাশ্মীৰৰ বাহিৰে সমগ্র ভাৰতবর্ষতে ২০০৬ চনৰ ২৫ অক্টোবৰৰ পৰা পাৰিবাৰিক হিংসা (প্রতিৰোধ আইনখনৰ বলবৎ হয়।

মূল উদ্দেশ্য ঃ পাৰিবাৰিক হিংসা (প্রতিৰোধ) আইনখনৰ মূল উদ্দেশ্য সমূহ হ'ল—

১। স্বামীয়ে এনেকুৱা আচৰণ দেখুৱাব নোৱাৰিব যাৰ ফলত এগৰাকী বিবাহিত মহিলাই আত্মহত্যা কৰিব লগা হয়।

২। যৌতুক বা সম্পত্তিৰ বাবে বিবাহিতা মহিলা গৰাকীৰ পিতৃ-মাতৃ বা পৰিয়ালৰ আন কোনো লোকক মানসিক শাস্তি দিব নোৱাৰিব।

৩। যৌতুক নিদিয়াক কেন্দ্র কৰি অথবা সম্প্রত্তিৰ বিষয়লৈ বিবাহিতা মহিলা গৰাকীৰ ওপৰত মানসিক চাপ আৰু অত্যাচাৰ কৰিব নোৱাৰিব।

পাৰিবাৰিক হিংসা (প্রতিৰোধ) আইন, ২০০৫ ৰ মহিলাৰ ওপৰত শাৰীৰিক নির্যাতন প্রতিৰোধ কৰাৰ ক্ষেত্রত কিছুমান গুৰুত্বপূর্ণ কথা সন্নিবিষ্ট কৰা হৈছে। সেইবোৰ হ'ল—

— কোনো মহিলাক মাৰপিট কৰিব নোৱাৰিব।
— চৰিয়াব নোৱাৰিব।
— কামুৰিব নোৱৰিব।
— ঘুঁচিয়াব নোৱাৰিব।

— গোৰ মাৰিব নোৱাৰিব।
— ধেক্কা মাৰিব নোৱাৰিব।
— চোঁচৰাই টানি নিব নোৱাৰিব।
— শৰীৰত বিষ আৰু জখম পোৱা নির্যাতন চলাব নোৱাৰিব।
— পাৰিবাৰিক হিংসা প্রতিৰোধ আইন, ২০০৫ ৰ যৌন নির্যাতনৰ প্রতিৰোধৰ ক্ষেত্রত থকা গুৰুত্বপূর্ণ দিশবোৰ হৈছে— কোনো মহিলাক বলপূর্বকভাৱে যৌনাচাৰ কৰিব নোৱাৰিব।
— জোৰদবৰদস্তি নগ্ন ছবি প্রদর্শন কৰিব নোৱাৰিব।
— আইনখনৰ মৌখিক আৰু মানসিক নির্যাতনৰ প্রতিৰোধৰ ক্ষেত্রত থকা গুৰুত্বপূর্ণ দিশবোৰ হ'ল—
— কোনো মহিলাক যিকোনো কথাত তিৰস্কাৰ কৰিব নোৱাৰিব।
— কোনো মহিলাৰ চৰিত্রক লৈ দোষাৰোপ কৰিব নোৱাৰিব।
— কোনো মহিলাৰ পুত্র সন্তান নোহোৱাকলৈ তিৰস্কাৰ কৰিব নোৱাৰিব।
— কোনো মহিলাৰ পুত্র সন্তান নোহোৱাকলৈ তিৰস্কাৰ কৰিব নোৱাৰিব।
— মহিলাৰ কর্মস্থানৰ ক্ষেত্রত প্রতিবন্ধকতা আনিব নোৱাৰিব।
— কোনো মহিলাক ঘৰৰ পৰা ওলাই যোৱাৰ ক্ষেত্রত বাধা আৰোপ কৰিব নোৱাৰিব।
— কোনো মহিলাই সাধাৰণ ঘটনাক লৈ যিকোনো মানুহৰ লগত কথা পাতিলে বাধা দিব নোৱাৰিব।
— পুৰুষে যিকোনো মৌখিক বা আৱেগিক কথাৰে মহিলাক মানসিক কষ্ট দিব নোৱাৰিব।
— আত্মহত্যাৰ ভাবুকি দিব নোৱাৰিব।
— কোনো মহিলাক গালি গালাজ পাৰিব নোৱাৰিব।

পাৰিবাৰিক হিংসা প্রতিৰোধ আইন, ২০০৫ ত উল্লেখ থকা অর্থনৈতিক নির্যাতন প্রতিৰোধৰ গুৰুত্বপূর্ণ দিশবোৰ হ'ল—
— কোনো পুৰুষে সন্তানৰ ভৰণ-পোষণৰ বাবে স্ত্রীৰ ওপৰত নির্ভৰ কৰিব নোৱাৰিব।
— কোনো পুৰুষে মহিলাক চাকৰি কৰাটো বন্ধ কৰিব নোৱাৰিব।
— কোনো পুৰুষে মহিলাক চাকৰি কৰাৰ ক্ষেত্রত বিৰক্ত কৰিব নোৱাৰিব।
— কোনো পুৰষে মহিলাক ঘৰৰ বাহিৰত বাস কৰাৰ ক্ষেত্রত হেঁচা প্রয়োগ কৰিব নোৱাৰিব।

ওপৰত উল্লেখ কৰা যিকোনো এটাও যদি নির্যাতন পুৰুষৰদ্বাৰা মহিলাৰ ওপৰত চলোৱা প্রমাণিত হয় তেতিয়াহ'লে অভিযুক্ত ব্যক্তি জনে ২০ হাজাৰ টকা পর্য্যন্ত জৰিমনা লগতে কাৰাবাস খাটিব লাগিব।